# দিল্লীত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য জন্ম শতবাৰ্ষিকী আলোচনাচক্ৰ

## ■ সাহিত্য অকাডেমীৰ উদ্যোগত অনুষ্ঠিত হ'ব ৰাষ্ট্ৰীয় পৰ্যায়ৰ অনুষ্ঠান

**'আমাৰ অসম'ৰ মহানগৰ বাৰ্তা, ৬ নৱেম্বৰ ঃ** সাহিত্য অকাডেমীয়ে অহা ১৯ আৰু ২০ নৱেম্বৰত দিল্লীত জ্ঞানপীঠ বঁটা বিজয়ী সাহিত্যিক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জন্ম শতবাৰ্ষিকী উপলক্ষে ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰৰ আয়োজন কৰিছে। উল্লেখ্য যে উত্তৰ পূৰ্বাঞ্চলৰ পৰা সাহিত্য অকাডেমীৰ সভাপতিৰ দৰে গুৰুত্বপূৰ্ণ পদ অলংকৃত কৰা বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আছিল অঞ্চলটোৰ প্ৰথম আৰু একমাত্ৰ সাহিত্যিক। ১৯৭৯ চনত তেওঁ 'মৃত্যুঞ্জয়' নামৰ উপন্যাসখনৰ বাবে জ্ঞানপীঠ বঁটা লাভ কৰে। তদুপৰি 'ইয়াৰুইঙম' নামৰ উপন্যাসখনৰ বাবে তেওঁ সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল। ১৯৬০ চনত অসমীয়া আধুনীক সাহিত্যৰ ঐতিহাসিক আলোচনী 'ৰামধেনু'ৰ তেওঁ সম্পাদকৰ দায়িত্ব বহন কৰিছিল। ১৯৮৩-১৯৮৫ চনত তেওঁ অসম সাহিত্য সভাৰ সভাপতি ৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। এইগৰাকী স্বনামধন্য সাহিত্যিকৰ জন্ম শতবাৰ্ষিকী উপলক্ষে সাহিত্য অকাডেমীয়ে ১৯-২০ নৱেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলৈ ওলাইছে ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ। নতুন দিল্লীৰ ফিৰোজ শ্বাহ ৰোডত থকা ৰবীন্দ্ৰ ভৱনৰ সাহিত্য অকাডেমী সভাগৃহত অনুষ্ঠিত হ'ব এই আলোচনাচক্ৰ। আলোচনাচক্ৰত সাহিত্য অকাডেমীৰ সভাপতি, উপ-সভাপতিৰ লগতে দিগন্ত বিশ্ব শৰ্মা, বিশ্বাস পাটিল, কুল শইকীয়া, মলয়া খাউণ্ড, কৰবী ডেকা হাজৰিকা, নিৰ্মল কান্তি ভট্টাচাৰ্য, মনোজ কুমাৰ গোস্বামী, ৰত্নত্তমা দাসৰ লগতে' আন কেইবাগৰাকীও বিশিষ্ট সাহিত্যিকে ভাগ ল'ব।